**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। ৰাখী বন্ধন উপলক্ষে ৰাষ্ট্ৰপতি, উপ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে নতুন দিল্লীত অনুষ্ঠিত ৰাজহুৱা ক্ষেত্ৰৰ বিভিন্ন বেংকসমূহৰ প্ৰদৰ্শনৰ পৰ্যালোচনাৰ বাবে আয়োজিত বৈঠকত অধ্যক্ষতা কৰিছে।

৩। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ অধিসূচনা কাইলৈ জাৰি কৰা হ'ব।

**আৰু**

৪। পদ্ম বঁটাৰে সন্মানিত দেশৰ ৭০ গৰাকীতকৈও অধিক চিকিৎসকে কলকাতাৰ চিকিৎসক ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ সৈতে জড়িত গোচৰত ব্যক্তিগতভাৱে হস্তক্ষেপ কৰাৰ আহ্বান জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ প্ৰেৰণ কৰিছে।

0000000

আজি ৰাখী বন্ধন। ভাতৃ-ভগ্নীৰ মাজৰ বিশেষ বন্ধনক পালন কৰাৰ এই উৎসৱ আজি সমগ্ৰ দেশতে পালন কৰা হ'ব। এই উৎসৱত ভগ্নীসকলে ভাতৃৰ হাতত ৰং-বিৰঙৰ ৰাখী বান্ধি তেওঁলোকৰ সু-স্বাস্থ্য আৰু সমৃদ্ধিৰ হকে প্ৰাৰ্থনা জনায়। ইয়াৰ বিনিময়ত ভাতৃয়ে ভগ্নীৰ সুৰক্ষা আৰু সমৰ্থনৰ শপত লৈ তেওঁলোকক উপহাৰ প্ৰদান কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাখী বন্ধন উপলক্ষে সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে। এটা শুভেচ্ছা বাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয় যে, ৰাখী বন্ধন হৈছে ভাই-ভনীসকলৰ মাজত অনন্য বন্ধনৰ এক উৎসৱ, যি প্ৰেম আৰু পাৰস্পৰিক বিশ্বাসক শক্তিশালী কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, এই উৎসৱ হৈছে ধৰ্মীয় আৰু সাংস্কৃতিক সীমাৰ উৰ্ধত দেশৰ অনৈক্যৰ মাজত ঐক্যৰ প্ৰতীক। তেওঁ লগতে এই উৎসৱে মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ সংকল্পক অধিক শক্তিশালী কৰে বুলিও উল্লেখ কৰে।

আনহাতে উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে সামাজিক মাধ্যমৰ এটা পষ্টত ভাই-ভনীৰ পবিত্ৰ বন্ধনৰ উদযাপন এই উৎসৱে ইজনে সিজনক সমৰ্থন আৰু প্ৰতিপালনৰ প্ৰতিশ্ৰুতিৰ ইংগিত দিয়ে বুলি প্ৰকাশ কৰে। তেওঁ লগতে নাৰীৰ মৰ্যাদা আৰু সন্মান ৰক্ষাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাখী বন্ধন উপলক্ষে দেশবাসীক সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত এই উৎসৱে ব্যক্তিৰ জীৱনত সুখ, সমৃদ্ধি তথা মধুৰতা কঢ়িয়াই আনে বুলি প্ৰকাশ কৰে।

অসমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই ৰাখী বন্ধন উপলক্ষে জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে এই উৎসৱে আমাৰ জীৱনত বিশেষ গুৰুত্ব বহন কৰাৰ লগতে

জনসাধাৰণক প্ৰেম, বিশ্বাস আৰু সমন্বয়ৰ এনাজৰীৰে বান্ধি ৰাখে। এই উৎসৱে ভাতৃ-ভগ্নীৰ সম্পৰ্কক অধিক শকিশালী আৰু সুন্দৰ কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে নতুন দিল্লীত আজি অনুষ্ঠিত ৰাজহুৱা ক্ষেত্ৰৰ বিভিন্ন বেংকসমূহৰ প্ৰদৰ্শনৰ পৰ্যালোচনাৰ বাবে আয়োজিত বৈঠকত অধ্যক্ষতা কৰিছে। বিত্তীয় সেৱা বিভাগৰ সচিব ড০ বিবেক যোশীৰ লগতে ৰাজহুৱা ক্ষেত্ৰৰ বেংকসমূহৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়াৰ লগতে আন আন জ্যেষ্ঠ বিষয়াসকলে বৈঠকত অংশগ্ৰহণ কৰিছে। এই বৈঠকৰ সময়ছোৱাত শ্ৰীমতী সীতাৰমণে জমা ধনৰ বৃদ্ধি, ঋণ-জমা অনুপাত আৰু সম্পত্তি মানৰ পৰ্যালোচনা কৰিব। বিত্ত মন্ত্ৰীগৰাকীয়ে লগতে পি এম আৱাস যোজনা, পি এম সূৰ্য ঘৰ আৰু পি এম বিশ্বকৰ্মা আঁচনিৰ দৰে চৰকাৰী পদক্ষেপৰ অধীনত ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ কাম-কাজৰ মূল্যায়নো কৰিব। মোদী থ্ৰী পইণ্ট জিৰো চৰকাৰৰ বিত্ত বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত শ্ৰীমতী সীতাৰমণৰ এয়া হ'ব ৰাজহুৱা খণ্ডৰ বেংকৰ প্ৰথমখন পৰ্যালোচনা বৈঠক।

০০০০০০০

জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ অধিসূচনা কাইলৈ জাৰি কৰা হ'ব। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনাইছে যে প্ৰথম পৰ্যায়ত অনন্তনাগ শ্বঁপিয়ান, কুলগাম, ৰামবান্দ, কিস্তৱাৰ আৰু দ'দা জিলাৰ ২৪টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ৰ মনোনয়ন দাখিলৰ অন্তিম তাৰিখ ২৭ আগষ্ট ধাৰ্য কৰা হৈছে। ২৮ আগষ্টত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। আনহাতে ৩০ আগষ্টলৈকে প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অহা ১৮ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত প্ৰায় ৯০ লাখ ভোটদাতাই ভোটদান কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ পাছত বিধানসভা আসনৰ সংখ্যা ৮৩ৰ পৰা ৯০ লৈ বৃদ্ধি হয়। ইয়াৰ ভিতৰত ৭৪ খন আসন সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে। আনহাতে ৭ খন আসন অনুসূচিত জাতি আৰু ৯ খন আসন অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত কৰা হৈছে।

০০০০০০০

দেশৰ পদ্ম বঁটাৰে সন্মানিত ৭০ গৰাকীতকৈ অধিক চিকিৎসকে কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ আবাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ সৈতে জড়িত গোচৰত ব্যক্তিগতভাৱে হস্তক্ষেপ কৰাৰ আহ্বান জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ প্ৰেৰণ কৰিছে। চিকিৎসকসকলে পত্ৰত উল্লেখ কৰিছে যে, এনেধৰণৰ অমানুসিক কাৰ্যই চিকিৎসা সেৱাৰ আন্তঃগাঁথনিক জোকাৰি যায়। তেওঁলোকে লগতে এনে দুষ্কাৰ্য, বিশেষকৈ মহিলা, কিশোৰী তথা স্বাস্থ্যকৰ্মীসকলৰ বিৰুদ্ধে সংঘটিত অপৰাধ নিৰ্মূল কৰাৰ তাৎক্ষণিক প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰে। চিকিৎসকসকলে এনে ধৰণৰ কাৰ্য যাতে পুনৰ সংঘটিত নহয় তাৰ বাবেও শক্তিশালী ব্যৱস্থা গঢ়ি তোলাৰ বাবেও প্ৰধানমন্ত্ৰীলৈ আহ্বান জনায়। তেওঁলোকে লগতে বিধি বলৱৎকাৰী সংস্থা, নীতি নিৰ্মাতাসকল তথা সমাজক এইক্ষেত্ৰত তাৎক্ষণিক আৰু নিৰ্নায়ক ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইফালে এই ঘটনাৰ পাছতে পশ্চিমবংগৰ ৰাজ্যপাল চি ভি আনন্দ বোসে ৰাজ্যখনৰ সকলো চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলাৰ লগতে মহিলা চিকিৎসক আৰু নাৰ্চসকলৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে কৰ্তৃপক্ষক নিৰ্দেশ দিছে। আনহাতে এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ন্যায়ৰ দাবী জনাই কালি কলকাতাৰ তিনিটা উল্লেখনীয় ফুটবল ক্লাব ক্ৰমে মোহন

বাগান, ইষ্ট বেংগল আৰু মহম্মদান স্পোৰ্টিং ক্লাবৰ হাজাৰ হাজাৰ ফুটবল প্ৰেমীয়ে চল্টলেক ষ্টেডিয়ামৰ বাহিৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

আনহাতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাখী বন্ধনৰ অনুষ্ঠানৰ পাছতে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ৰাজ্য চৰকাৰে নাৰীৰ ওপৰত হোৱা নিৰ্যাতনৰ তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰে বুলি প্ৰকাশ কৰে।

ইপিনে এই ঘটনাৰ পাছতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল কৰ্তৃপক্ষই সুৰক্ষাৰ দিশত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। অনুষ্ঠানটোৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ অচ্যুৎ বৈশ্যই জাৰি কৰা এখন নিৰ্দেশনা অনুসৰি নিশা কৰ্তব্যত নিয়োজিত মহিলা চিকিৎসকলৰ বাবে জি এম চি এইচৰ কেজুৱেলিটি বিভাগত বিশেষ বাহনৰ ব্যৱস্থা থাকিব। মূল হাস্পতাল চৌহদ, ছুপাৰ স্পেচিয়েলিটী হাস্পতাল, চি এন চেণ্টাৰ আৰু ৩ নম্বৰ ছাত্ৰাবাসলৈ অহা-যোৱা কৰাৰ বাবে কৰ্তব্যৰত চিকিৎসকসকলে দায়িত্বত থকা কেজুৱেলিটি বিষয়াৰ সৈতে যোগাযোগ কৰিব পাৰিব। কেজুৱেলিটি বিষয়াই কৰ্তব্যৰত মহিলা চিকিৎসকৰ বাবে বাহনৰ ব্যৱস্থা কৰাৰ লগতে এগৰাকী মহিলা সুৰক্ষা কৰ্মী থকাটো নিশ্চিত কৰিব।

আন এটা নিৰ্দেশনা অনুযায়ী ৰোগীৰ সৈতে অহা ৰেড কাৰ্ড থকা পৰিয়ালৰ সদস্যৰ বাহিৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত সন্ধিয়া ৬ বজাৰ পাছত আন লোকৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। নিৰ্দেশনাত উল্লেখ কৰা মতে চৌহদৰ পৰা অকৰ্তৃত্বশীলভাৱে থকা লোকসকলক আঁতৰাই পঠোৱাৰ বাবে সুৰক্ষাৰ দায়িত্বত থকা বিষয়াজন দায়বদ্ধ হ'ব। এইক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে বিষয়াজনে ভঙাগড় আৰক্ষীৰ সহায় ল'ব পাৰিব। ইয়াৰ উপৰি সকলো গৃহৰক্ষী জোৱান, ব্যক্তিগত সুৰক্ষা কৰ্মী আৰু নিৰ্মাণ শ্ৰমিকে সন্ধিয়া ৬ বজাৰ পাছত পৰিচয় পত্ৰ পিন্ধিব লাগিব বুলিও নিৰ্দেশনাটোত প্ৰকাশ কৰা হৈছে।

০০০০০০০

ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ শংকৰ দয়াল শৰ্মাৰ আজি জন্মবাৰ্ষিকী উপলক্ষে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাষ্ট্ৰপতি ভৱনৰ উচ্চ পদস্থ বিষয়াসকলেও ড০ শৰ্মাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **মহাকাশ খণ্ডত  সুযোগ বৃদ্ধি** সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত নতুন দিল্লীৰ ক্ষেত্ৰীয় দূৰ সংবেদন কেন্দ্ৰ, উত্তৰ অৰ্থাৎ NRSCৰ উপ মহাপ্ৰৱন্ধক ড০ সমীৰ সাৰনে অংশগ্ৰহণ কৰিব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি মহাকাশ খণ্ডত কেৰিয়াৰ সুযোগ সন্দৰ্ভত বিশেষজ্ঞগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছ্এপ যোগে  ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান  শুনিবলৈ পাব।

০০০০০০০

থাইলেণ্ডৰ এছমচন বিশ্ববিদ্যালয়ত ১০ৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত সপ্তম হিৰ'জ কাপ আন্তঃৰাষ্ট্ৰীয় টাইকোৱাণ্ডো প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি উল্লেখযোগ্য প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে। এই প্ৰতিযোগিতাত

সন্দিকৈ মহাবিদ্যালয়ৰ চৈতলী ঘোষ আৰু নেহা দে'ই ৰূপৰ পদক, সুমিত্ৰাক্ষী শইকীয়া আৰু টিনা সোণোৱালে নিজ নিজ শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত জাপান, পাকিস্তান, বাংলাদেশকে ধৰি মুঠ ৩০ খনতকৈও অধিক দেশৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

ooooooo

জিম্বাৱেৰ উপ ৰাষ্ট্ৰপতি কনষ্টেণ্টিন' গুভেৰা ড'মিনিক নিকাদজিন' চিৰেংগা আজি নতুন দিল্লীত উপস্থিত হৈছে। তেওঁ কাইলৈ ঊনবিংশতিতম চি আই আই ভাৰত-আফ্ৰিকা বাণিজ্যিক সন্মিলনত অংশগ্ৰহণ কৰিব। সামাজিক মাধ্যমযোগে দিয়া এটা প'ষ্টত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে, সন্মিলনত তেওঁ অংশগ্ৰহণে ভাৰত আৰু জিম্বাৱেৰ মাজত থকা মজবুত সম্পৰ্কক উজ্বল কৰি তুলিছে।

ooooooo

সমাপ্ত